# বিশ্ব ষ্ট্ৰ'ক দিৱস উপলক্ষে তিনিদিনীয়া বিনামূলীয়া চিকিৎসা শিবিৰ

**বাতৰি কাকত, মহানগৰ, ৩০ অক্টোবৰ ঃ** গুৱাহাটীৰ নাৰায়ণা ছুপাৰস্পেচিয়েলিটি হাস্পাতালে আজিৰে পৰা বিশ্ব ষ্ট্ৰ'ক দিৱস উপলক্ষে তিনিদিনীয়া কাৰ্যসূচীৰে এখনি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি কৰিছে। অহা ৩১ অক্টোবৰলৈ হাস্পতালৰ প্ৰাঙ্গনত চলিবলগীয়া এই শিৱিৰত বিশেষজ্ঞ নিউৰ'লজিষ্ট আৰু সাধাৰণ ৰোগ বিশেষজ্ঞ উপস্থিতি অংশগ্ৰহণকাৰী লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ উপৰি যাৱতীয় ঔষধ তথা চিকিৎসা পৰামৰ্শ প্ৰদান কৰা হ'ব। উল্লেখ্য যে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰোৱাৰ উপৰি ইচিজি, কে'ৰটিড ড'পলাৰ, চিটি স্কেন, আৰ বি এছ, লিপিড প্ৰ'ফাইল আৰু ইন পেচেণ্ট নিউৰ'ল'জী পৰীক্ষাৰ ক্ষেত্ৰত বিশেষ ৰেহাইৰো ব্যৱস্থা কৰা হৈছে বিশ্ব ষ্ট্ৰোক দিৱস উপলক্ষে। যিসকলে এই শিৱিৰত অংশগ্ৰহণ তথা সেৱাসমূহ গ্ৰহণ কৰিবলৈ বিচাৰে তেওঁলোকে ০৩৬১-২৬৮০৩২১নম্বৰত কল কৰি নাম পঞ্জীয়ণ কৰিব পাৰিব। উল্লেখ্য যে এই সেৱাসমূহৰ ক্ষেত্ৰত ৰোগীসকলে অহা ৩০ নৱেম্বৰ পৰ্যন্ত ৰেহাই লাভ কৰিব। নেছনেল কমিশ্যন অন মেক্ৰ'-ইক'নমিক্স এণ্ড হেল্থ, ইণ্ডিয়াৰ তথ্য অনুসৰি ২০১৫ চনৰ ভিতৰতে ১.৬৭ মিলিয়ন গৰাকী লোক ষ্ট্ৰোকত আক্ৰান্ত হোৱাৰ সময়তে হাস্পাতালখনে গ্ৰহণ কৰা এই পদক্ষেপে বিশেষ তাৎপৰ্য বহন কৰিছে। এই চিকিৎসা শিবিৰৰ যোগেদি চিকিৎসালয়খনে অংশগ্ৰহণকাৰী ৰোগী তথা অভিভাৱকসকলক ষ্ট্ৰোক সম্বন্ধে সজাগ কৰি ইয়াৰ লক্ষণ তথা বিপদাশংকা সন্দৰ্ভত অৱগত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।